**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 05-09-2025
**Time :** 1845 HRS

***Assamese Evening Bulletin***
**Headlines**
**-------------------**

ooooo

১। দেশজুৰি বিভিন্ন কাৰ্যসূচীৰে আজি শিক্ষক দিৱস উদযাপন।

২। অসমৰ দুগৰাকী শিক্ষকসহ দেশৰ ৮২ গৰাকী শিক্ষক-অধ্যাপকসহ ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৰ ৰাষ্ট্ৰীয় শিক্ষক বঁটা প্ৰদান।

৩। প্ৰতিযোগিতামূলক শিক্ষা ব্যৱস্থাই শিক্ষাৰ্থীৰ কেৰিয়াৰ গঢ়াত ষষ্ঠ শ্ৰেণীৰ পৰাই পৰামৰ্শৰ প্ৰয়োজন বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ মন্তব্য।

৪। ৰাজ্যৰ ২৯ খন জিলাত কালি নিশাৰে পৰা চলা অভিযানত এই পৰ্যন্ত ৩৩০ জন প্ৰৱঞ্চকক আটক।
*আৰু*

৫। ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আজিৰে পৰা এলানি বিশেষ কাৰ্যসূচীৰ আয়োজন।

ooooo

প্ৰখ্যাত শিক্ষাবিদ, লেখক, দাৰ্শনিক তথা প্ৰাক্তন ৰাষ্ট্ৰপতি ড° সৰ্বেপল্লী ৰাধাকৃষ্ণণৰ জয়ন্তী উপলক্ষে দেশজুৰি বিভিন্ন কাৰ্যসূচীৰে আজি শিক্ষক দিৱস উদযাপন কৰা হয়।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে শিক্ষক দিৱস উপলক্ষে দেশৰ শিক্ষক-শিক্ষয়িত্ৰীসকলক শুভেচ্ছা জনায়। শিক্ষক দিৱস উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৰে আজি নতুন দিল্লীত ২৭ খন ৰাজ্য, সাতটা কেন্দ্ৰীয় শাসিত অঞ্চল আৰু ছটা কেন্দ্ৰীয় চৰকাৰৰ সংগঠনৰ মুঠ ৮২ গৰাকী শিক্ষকক ৰাষ্ট্ৰীয় শিক্ষক বঁটা প্ৰদান কৰে। দেশৰ ৪৮ গৰাকী বিদ্যালয় শিক্ষকৰ লগতে উচ্চ শিক্ষানুষ্ঠান আৰু পলিটেকনিকৰ ২১ গৰাকী শিক্ষক, অধ্যাপক আৰু ১৩ গৰাকী প্ৰশিক্ষকক ৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰে। অসমৰ দুগৰাকী শিক্ষকে এইবাৰ এই ৰাষ্ট্ৰীয় বঁটা লাভ কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ যোগাযোগ আৰু সাংবাদিকতা বিভাগৰ মুৰব্বী অধ্যাপক ড০ অংকুৰণ দত্ত আৰু যোৰহাট উত্তৰ পশ্চিম শিক্ষাখণ্ডৰ অন্তৰ্গত আদৰ্শ ট্ৰাইবেল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক ৰাজেশ বৰদলৈক ৰাষ্ট্ৰীয় শিক্ষক বঁটা প্ৰদান কৰা হয়।

শিক্ষক দিৱসৰ সৈতে সংগতি ৰাখি আজি ৰাজ্যৰ ১৫ গৰাকী শিক্ষকক চলিত বৰ্ষৰ ৰাজ্যিক কৃতি শিক্ষক বঁটা প্ৰদান কৰা হয়। উচ্চ শিক্ষা আৰু বিদ্যালয় শিক্ষা বিভাগৰ উদ্যোগত পাঞ্জাবাৰীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী দামোদৰ দেৱ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত আয়োজিত শিক্ষক দিৱসৰ কেন্দ্ৰীয় অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কৃতি শিক্ষকসকলক এই বঁটা প্ৰদান কৰে। এই অনুষ্ঠানতে জিলা পৰ্যায়ত বাছনি লাভ কৰা

কামৰূপ মহানগৰ জিলাৰ ১৭ গৰাকী শিক্ষকলৈও কৃতি শিক্ষকৰ বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানত বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা স্বায়ত্ব শাসিত মৰ্যাদা লাভ কৰা ১২ খন মহাবিদ্যালয়, ১৪ গৰাকী সহযোগী এন চি চি বিষয়া, কাৰিকৰী শিক্ষা সঞ্চালকালয়ৰ অন্তৰ্গত পেটেণ্ট লাভ কৰা ৪ গৰাকী শিক্ষকৰ লগতে আদৰ্শ বিদ্যালয় সংগঠন অসমৰ অধীনত ৫ গৰাকী শিক্ষকক সম্বৰ্ধনা জনোৱা হয়।

০০০০০

দেশৰ প্ৰাক্তন ৰাষ্ট্ৰপতি, মহান দাৰ্শনিক ড০ সৰ্বেপল্লী ৰাধাকৃষ্ণণৰ জয়ন্তীত শিক্ষকসকলৰ নিঃস্বাৰ্থ ত্যাগ আৰু অৱদানক সন্মান জনাই আজি সমগ্ৰ ৰাজ্যতে শিক্ষক দিৱস পালন কৰা হৈছে। চিৰাং জিলাৰ সদৰ কাজলগাঁৱত থকা জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ সভাকক্ষত আজি জিলা পৰ্য্যায়ত শিক্ষক দিৱসৰ কাৰ্য্যসূচী পালন কৰা হয়। সভাত উপস্থিত থাকি চিৰাং জিলাৰ আয়ুক্ত গকুল চন্দ্ৰ ব্ৰহ্মই শিক্ষকসকলক সত্যনিষ্ঠাৰে কাম কৰি যাবলৈ আহ্বান জনায়। আজিৰ এই অনুষ্ঠানত জিলাখনৰ ১০ গৰাকী অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰীক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত জিলাখনৰ ভালেমান বিদ্যালয়ৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

শিক্ষক দিৱস উপলক্ষে আজি ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য্যই শোণিতপুৰ জিলাৰ ন-দুৱাৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত জামুগুৰিহাটত ৯৫ বছৰীয়া কৃতী শিক্ষক প্ৰফুল্ল কুমাৰ বৰঠাকুৰক বিশেষভাৱে সন্মানিত কৰে। সুদীৰ্ঘ কাল ধৰি শিক্ষা জগতলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ স্বীকৃতিস্বৰূপে ৰাজ্যপালে শ্ৰী বৰঠাকুৰক **অসমৰ ৰাজ্যপালৰ বৰিষ্ঠ শিক্ষক সন্মান** প্ৰদান কৰে। শিক্ষকগৰাকীৰ বাসগৃহত উপস্থিত হৈ ৰাজ্যপালে এই বিশেষ বঁটা আগবঢ়ায়। বঁটা প্ৰদান কৰি ৰাজ্যপাল শ্ৰীআচাৰ্য্যই এখন সুস্থ সমাজ আৰু সুন্দৰ ৰাষ্ট্ৰ নিৰ্মাণত শিক্ষকসকলৰ অপৰিসীম অৱদান আৰু ত্যাগক গভীৰ শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। তেওঁ কয়, যে শিক্ষকসকলৰ আদৰ্শ আৰু মাৰ্গদৰ্শনে নৱ-প্ৰজন্মক সঠিক দিশত পৰিচালিত কৰি দেশৰ ভৱিষ্যৎ সুৰক্ষিত কৰে।

-বাইট(ৰাজ্যপাল)-

শিক্ষক দিৱস উপলক্ষে মৰিগাঁৱত আজি বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানৰ জৰিয়তে শিক্ষাৰ ক্ষেত্ৰলৈ শিক্ষক সমাজে আগবঢ়াই অহা নিষ্ঠাপূৰ্ণ সেৱা আৰু ৰাষ্ট্ৰ গঠনত তেওঁলোকৰ অৱদানক সন্মান জনোৱা হয়। অনুষ্ঠানত ভাষণ দি জিলা আয়ুক্ত সৃষ্টি সিঙে শিক্ষক সমাজক শিক্ষাৰ্থীসকলক ভৱিষ্যতৰ প্ৰত্যাহ্বানসমূহৰ মুখামুখি হ'ব পৰাকৈ প্ৰাসঙ্গিক জ্ঞান আৰু দক্ষতাৰে সমৃদ্ধ কৰি তুলিবলৈ আহ্বান জনায়। মুখ্য অতিথি হিচাপে উপস্থিত থাকি থানেশ্বৰ মালাকাৰে কয়, যে ভবিষ্যৎ প্ৰজন্মক সঠিক দিশ প্ৰদানৰ ক্ষেত্ৰত শিক্ষকসকলৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। শিক্ষা ক্ষেত্ৰলৈ আগবঢ়োৱা নিষ্ঠাপূৰ্ণ সেৱাৰ বাবে কেইবাগৰাকীও শিক্ষকক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত আঁহি শীৰ্ষক এখন বিশেষ পুস্তিকা উন্মোচন কৰা হয়।

কাছাৰ জিলাতো আজি বিভিন্ন কাৰ্য্যসূচীৰে ৬৫ সংখ্যক শিক্ষক দিৱস পালন কৰা হয়। শিলচৰৰ বংগ ভৱনত অনুষ্ঠিত বিশেষ কাৰ্য্যসূচীত ৰাজ্যৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা মন্ত্ৰী কৌশিক ৰায় মুখ্য অতিথি হিচাপে উপস্থিত থাকে।

নলবাৰী জিলাৰ নাট্য মন্দিৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত শিক্ষক দিৱসৰ কাৰ্য্যসূচীত ২৬ গৰাকী শিক্ষকক কৃতী শিক্ষকৰ বঁটা প্ৰদান কৰা হয়।

০০০০০

প্ৰতিযোগিতামূলক শিক্ষা ব্যৱস্থাত শিক্ষাৰ্থীৰ কেৰিয়াৰ গঢ়াত ষষ্ঠ শ্ৰেণীৰ পৰাই পৰামৰ্শৰ প্ৰয়োজন বুলি শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে উল্লেখ কৰিছে। আজি পাঠশালাৰ আনন্দৰাম বৰুৱা একাডেমী স্নাতক কলেজত শিক্ষক দিৱসৰ কাৰ্য্যসূচীত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি শ্ৰীপেগুৱে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে বৰ্তমানৰ প্ৰতিযোগিতামূলক পৰিৱেশত কেৰিয়াৰৰ নতুন সম্ভাৱনাৰ বিষয়ে সৰুৰে পৰা জ্ঞান দিয়াটো অতি প্ৰয়োজনীয়। প্ৰতিগৰাকী শিশুৱে নিজৰ প্ৰতিভা আৰু সামৰ্থ্য অনুসৰি আগবাঢ়ি যোৱাৰ সমান অধিকাৰ লাভ কৰিব লাগে বুলি তেওঁ কয়। মন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ শিক্ষা খণ্ডত বেচৰকাৰী শিক্ষানুষ্ঠানসমূহে আগবঢ়াই অহা অৱদানৰো শলাগ লয়।

অনুষ্ঠানত কেইবাগৰাকীও কৃতী শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে ছাত্ৰ-ছাত্ৰীকো সম্বৰ্ধনা জনোৱা হয়। ৫ ছেপ্তেম্বৰৰ দিনটো বিশ্ব শগুণ দিৱস হিচাপেও গুৰুত্বপূৰ্ণ হিচাপে উল্লেখ কৰি শ্ৰী পেগুৱে জলবায়ু পৰিৱৰ্তন আৰু পৰিৱেশ সংৰক্ষণৰ প্ৰয়োজনীয়তাৰ কথাও উল্লেখ কৰে। তেওঁ শগুনকে ধৰি বিলুপ্তিৰ দিশত আগবঢ়া সকলো জীৱ-জন্তু আৰু পৰিৱেশ সংৰক্ষণৰ বাবে সকলোকে সচেতন হ'বলৈ আহ্বান জনায়।

ooooo

গুৱাহাটীৰ জনতা ভৱনত আজি অসমৰ চহকী ঐতিহাসিক পূৰাতাত্বিক, খিলঞ্জীয়া আৰু জনজাতীয় ঐতিহ্যৰ সংৰক্ষণ, প্ৰচাৰ আৰু নথিভুক্তকৰণ সম্পৰ্কীয় এখন পৰ্য্যালোচনা সভা অনুষ্ঠিত হয়। ৰাজ্যৰ খিলঞ্জীয়া আৰু জনজাতীয় সংস্কৃতি বিভাগৰ মন্ত্ৰী বিশ্বজিৎ দৈমাৰীৰ সভাপতিত্বত অনুষ্ঠিত এই বৈঠকত চলিত আৰু নতুন আঁচনি তথা কাৰ্য্যসূচী, বাজেট আবণ্টন ধ্বজাবাহী কাৰ্য্যবাহী, ক্ৰয় পৰিকল্পনা আৰু অনাগত কাৰ্য্যসূচীসমূহৰ স্থিতিৰ পুনৰীক্ষণ কৰা হয়। মন্ত্ৰী শ্ৰীদৈমাৰীয়ে সংশ্লিষ্ট কাৰ্য্যালয়সমূহত ৰূপায়ণ হৈ থকা কাৰ্য্যসূচীসমূহৰ পৰ্য্যালোচনা কৰাৰ লগতে বিভাগীয় পদক্ষেপসমূহৰ সফল ৰূপায়ণত গুৰুত্ব আৰোপ কৰে। ৰাজ্যৰ ঐতিহাসিক, খিলঞ্জীয়া আৰু জনজাতীয় ঐতিহ্যৰ সংৰক্ষণ, প্ৰচাৰ আৰু নথিভুক্তকৰণৰ বাবে প্ৰতিষ্ঠানগত ব্যৱস্থাসমূহ অধিক শক্তিশালী কৰাৰ ক্ষেত্ৰত মন্ত্ৰীগৰাকীয়ে গুৰুত্ব আৰোপ কৰে। বৈঠকত আই টি এফ চি বিভাগৰ আয়ুক্ত সচিব, অতিৰিক্ত সচিব, সংগ্ৰহালয়, সঞ্চালকালয়ৰ সঞ্চালকৰ লগতে কেইবাগৰাকীও জ্যেষ্ঠ বিষয়া উপস্থিত থাকে।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশৰ পাছতে অসম আৰক্ষীয়ে ৰাজ্যজুৰি প্ৰৱঞ্চকৰ বিৰুদ্ধে অভিযান চলাইছে। ৰাজ্যৰ ২৯ খন জিলাত কালি নিশাৰে পৰা চলা অভিযানত এই পৰ্যন্ত ৩৩০ জন প্ৰৱঞ্চকক আটক কৰা হৈছে। অভিযানকালত আৰক্ষীৰ সৈতে যোগাযোগ কৰি গোচৰ মীমাংশা কৰাৰ দালালকো আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। নকল আৰু চুৰি সামগ্ৰী বিক্ৰী কৰা প্ৰৱঞ্চকো আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। ইয়াৰ লগতে আৰক্ষীৰ পৰিচয় দি সাধাৰণ লোকক প্ৰৱঞ্চনা কৰা লোকৰ বিৰুদ্ধেও আৰক্ষীয়ে অভিযান চলাইছে। গুৱাহাটীত এতিয়ালৈ দুজন প্ৰৱঞ্চকক গ্ৰেপ্তাৰ কৰা হৈছে বুলি অসম আৰক্ষীৰ সঞ্চালকৰ প্ৰধান হৰমীত সিঙে প্ৰকাশ কৰে। শদিয়া, মাজুলীকে ধৰি কেইবাখনো জিলাত এনে ধৰণৰ প্ৰৱঞ্চক ধৰা পৰা নাই বুলি তেওঁ কয়।

বাইট-হৰমীত সিং

বৰপেটা জিলাৰ বিভিন্ন প্ৰান্ততো ২৬ জন প্ৰৱঞ্চকক আটক কৰা হৈছে। বৰপেটা থানাৰ অধীনৰ অঞ্চলৰ পৰা ১০ জন, কলগাছিয়া থানাৰ অধীনৰ অঞ্চলৰ পৰা এঘাৰ জন, তাৰাবাৰী থানাৰ অধীনৰ অঞ্চলৰ পৰা

তিনিজন আৰু বাঘবৰ থানাৰ অধীনৰ অঞ্চলৰ পৰা দুজন প্ৰৱঞ্চকক আটক কৰা হয়। আটকাধীনসকলৰ বিৰুদ্ধে আইন অনুসৰি ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি জিলাখনৰ অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক সমীৰণ বৈশ্যই প্ৰকাশ কৰে। অনাগত সময়তো প্ৰৱঞ্চকৰ বিৰুদ্ধে অভিযান অব্যাহত ৰখা হ'ব বুলি তেঁও কয়।

ৰাজ্যৰ অন্য জিলাসমূহৰ দৰে বজালী জিলাতো প্ৰৱঞ্চকৰ বিৰুদ্ধে অভিযান চলিছে। জিলাখনৰ কেইবাটাও প্ৰান্তৰ পৰা আৰক্ষীয়ে ৪ জন সন্দেহযুক্ত প্ৰৱঞ্চকক আটক কৰে। প্ৰৱঞ্চনাৰ সৈতে জড়িত কেইবাজনো লোকক আটক কৰি আৰক্ষীয়ে সোধা পোচা অব্যাহত ৰাখিছে।

কোকৰাঝাৰ জিলাৰ বিভিন্ন অঞ্চলত অভিযান চলাই অসম আৰক্ষীয়ে ২০ জন প্ৰৱঞ্চকক আটক কৰে।

দৰং আৰক্ষীয়ে অভিযান চলাই জিলাখনৰ বিভিন্ন অঞ্চলৰ পৰা অপৰাধী চক্ৰৰ সৈতে জড়িত ১৮ জন লোকক আটক কৰে।

ooooo

ভাৰতৰত্ন সন্মানেৰে সন্মানিত ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আজিৰে পৰা অহা ৮ ছেপ্তেম্বৰলৈ এলানি বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাস আৰু শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ উদ্যোগত আজি পাঞ্জাবাৰীৰ মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃত সদৌ অসম ভিত্তিত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা আৰু সাংস্কৃতিক অনুষ্ঠানত অনুষ্ঠিত হৈছে। কলকাতা অসমীয়া সাংস্কৃতিক সংস্থাৰ উদ্যোগত কাইলৈ সন্ধিয়া ছয় বজাত কলকাতাৰ অসম ভৱনত ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী অনুষ্ঠানৰ আয়োজন কৰা হৈছে। একেদৰে পৰহিলৈ বৃহত্তৰ গুৱাহাটী সাংস্কৃতিক সংগঠনৰ সন্মিলিত মঞ্চৰ উদ্যোগত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত বিয়লি **মানুহে মানুহৰ বাবে** শীৰ্ষক সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ৮ ছেপ্তেম্বৰত ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাস আৰু শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ উদ্যোগত কলাক্ষেত্ৰত মহামিলনৰ তীৰ্থ শীৰ্ষক বিশেষ অনুষ্ঠান অনুষ্ঠিত হ'ব। সেইদিনা পুৱা গুৱাহাটীৰ জালুকবাৰীৰ ড° ভূপেন হাজৰিকা সমন্বয় ক্ষেত্ৰত সুধাকণ্ঠলৈ শ্ৰদ্ধাৰ্ঘ জনোৱাৰ লগতে ড° ভূপেন হাজৰিকা সংগ্ৰহালয়ৰ আধাৰশিলা স্থাপন কৰা হ'ব। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

সুধাকণ্ঠৰ জন্মশতবৰ্ষ উদযাপন উপলক্ষে গুৱাহাটীৰ জালুকবাৰীত অহা ৮ ছেপ্তেম্বৰত বিশেষ সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই কাৰ্যসূচীত প্ৰায় এশ গৰাকী শিল্পীয়ে একেলগে শিল্পীগৰাকীৰ কেইবাটাও চিৰসেউজ গীত একেলগে পৰিবেশন কৰিব। এই অনুষ্ঠানৰ প্ৰস্তুতিৰ অংশ হিচাপে শিল্পীসকলে আজি জিলা পুথিভড়ালত শিল্পীগৰাকীৰ গীতসমূহৰ আখৰা কৰে।

ইপিনে শিল্পীগৰাকীৰ বছৰজোৱা জন্ম শতবৰ্ষ উদযাপনৰ সামৰণি অনুষ্ঠান অহা ৮ ছেপ্তেম্বৰত নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত হ'ব। এই অনুষ্ঠানত গায়ক, গীতিকাৰ, সুৰকাৰ, সংগীত পৰিচালক তথা অসমীয়া সংস্কৃতিৰ মহীৰূহ ড° ভূপেন হাজৰিকাৰ প্ৰতি শ্ৰদ্ধা জনাই তেওঁৰ অমৰ সৃষ্টি, মানৱতাবাদ আৰু সাংস্কৃতিক ঐক্যৰ বাৰ্তা দেশজুৰি প্ৰচাৰ কৰা হ'ব।

বিগত বৰ্ষৰ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুৱাহাটীত শুভাৰম্ভ কৰা এই বছৰজোৰা অনুষ্ঠানৰ অংশ হিচাপে ৰাজ্যৰ বিভিন্ন প্ৰান্তত ভিন ভিন কাৰ্যসূচী অনুষ্ঠিত কৰি অহা হৈছে। সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকীৰ সৈতে সংগতি ৰাখি এয়া আমাৰ বিশেষ প্ৰতিবেদনঃ

০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত আজি নিশা ৮ বাজি ২ মিনিটত উচ্চ শিক্ষা শিতানত কৃতি শিক্ষকৰ ৰাষ্ট্ৰীয় বঁটাৰে সন্মানিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ গণ সংযোগ আৰু সাংবাদিকতা বিভাগৰ মুৰববী অধ্যাপক তথা লেখক ড০ অংকুৰণ দত্তৰ সৈতে হোৱা এটি সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিব জিণ্টী ৰাণী ডেকাই।

০০০০০

ৰাজ্যৰ জল সম্পদ মন্ত্ৰী সুশান্ত বৰহোহাঁয়ে গহপুৰৰ ছত্ৰং, যোগীবাৰী, ব্ৰহ্মাগান, সোলেঙী, ন-বিল আদি বান ক্ষতিগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰি ক্ষয়-ক্ষতিৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে স্থানীয় ৰাইজক ক্ষতিগ্ৰস্ত অঞ্চলৰ সকলো সমস্যাৰ সমাধানৰ আশ্বাস দিয়ে। কিছুদিন পূৰ্বে অৰুণাচলত হোৱা অৰুণাচল প্ৰদেশত হোৱা মুষলধাৰ বৰষুণৰ ফলত হোৱা ব্ৰহ্মাজান নদীৰ জলপৃষ্ঠ বৃদ্ধি হৈ মথাউৰি ক্ষতিগ্ৰস্ত হোৱাৰ ফলত এই অঞ্চলসমূহ প্লাৱিত হৈছে। মন্ত্ৰীগৰাকীয়ে বিভাগীয় কৰ্তৃপক্ষক প্ৰয়োজনীয় সকলো কাম তৎকালীনভাৱে সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। পৰিদৰ্শন কালত বিধায়ক উৎপল বৰা, জিলা আয়ুক্ত কৰবী শইকীয়া কৰণৰ লগতে কেইবাগৰাকীও বিভাগীয় বিষয়ববীয়া উপস্থিত থাকে।

-বাইট-

০০০০০

সমাপ্ত